অসম চৰকাৰ
**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**
**কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯**
ফোন/ফেক্স নং (০৩৬১) ২৩৮২৫০৭

# শুভেচ্ছাবাণী

শিক্ষা সমাজৰ প্ৰগতিৰ পৰিবাহক । সময়োপযোগী আৰু গুণগত মানদণ্ড সম্পন্ন শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শিক্ষক সমাজৰ ভূমিকা অপৰিসীম। সমাজৰ প্ৰগতিৰ বাবে শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰী, শিক্ষা-প্ৰশাসন, সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰে এক বলিষ্ঠ ভূমিকাৰ দৰকাৰ। সাম্প্ৰতিক কালত তথ্য আৰু প্ৰযুক্তি বিদ্যাই শিক্ষাক্ষেত্ৰখনত এক অভূতপূৰ্ব পৰিবৰ্তন আনি দিছে। বৰ্তমানৰ কোৰোণা কালত অনলাইন ব্যৱস্থাই শিক্ষা প্ৰদানৰ একমাত্ৰ মাধ্যমৰ দৰে হৈ পৰিছে। আমাৰ ৰাজ্যত শিক্ষক শিক্ষাৰ প্ৰতিষ্ঠানসমূহেও এইক্ষেত্ৰত বিশেষ দায়িত্ব পালন কৰি আহিছে।

জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপৰ জিলা শৈক্ষিক অন্তঃকৰণ গোটে শৈক্ষিক আলোচনাৰ বাবে এক পৰিৱেশ সৃষ্টি কৰাৰ উদ্দেশ্য আগত ৰাখি "গুৰুবাৰ্তা" নামৰ অনলাইন পত্ৰিকা প্ৰকাশৰ দিহা কৰা বুলি জানি পাৰি সন্তোষ অনুভৱ কৰিছোঁ। এইক্ষেত্ৰত আগভাগ লোৱাৰ বাবে ড° শিৰোমণি ভূঞাৰৈলে মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

আশাকৰোঁ জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপৰ জিলা শৈক্ষিক অন্তঃকৰণ গোটৰ তৰফৰপৰা প্ৰকাশ কৰিবলৈ লোৱা এই পত্ৰিকাখনিয়ে সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ব। প্ৰতিকূল পৰিৱেশতো শিক্ষা প্ৰদানৰ ক্ষেত্ৰত এনেধৰণৰ বিকল্প চিন্তাধাৰাৰ অতীব প্ৰয়োজন। জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপৰ জিলা শৈক্ষিক অন্তঃকৰণ গোটৰ প্ৰতিজন সদস্যলৈ আন্তৰিক অভিনন্দন জনালোঁ।

পত্ৰিকাখনিৰ ইপ্সিত লক্ষ্যপ্ৰাপ্তি তথা সৰ্বতোপ্ৰকাৰ সাৰ্থকতা আন্তৰিকতাৰে কামনা কৰিলোঁ।

নিৰদা দেৱী

**(ড°নিৰদা দেৱী)**
সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯